**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 11-01-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

---

১। প্ৰাদেশীকিকৰণৰ আঁওতাৰ পৰা বাদ পৰি ৰোৱা ২০০৬ চনৰ পূৰ্বে স্থাপন হোৱা বিদ্যালয়সমূহৰ প্ৰাদেশীকিকৰণৰ ক্ষেত্ৰত ৰাজ্যিক মন্ত্ৰীসভাৰ সিদ্ধান্ত গ্ৰহণ।

২। ৰাজ্যৰ পঞ্চায়ত নিৰ্বাচন সন্দৰ্ভত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ৰায়দান স্থগিত। হাইস্কুল আৰু উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাৰ পৰৱৰ্তী পৰ্যায়তহে পঞ্চায়ত নিৰ্বাচন পাতিব পৰা হ'ব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ ইংগিত।

৩। ওদালগুৰি জিলাৰ ডিমাকুছিৰ দৈমুনগৰ সমন্বয় ক্ষেত্ৰত বড়ো সাহিত্য সভাৰ ৬৪ সংখ্যক অধিৱেশনৰ আজি তৃতীয় দিনাৰ কাৰ্যসূচীত বিভিন্ন অনুষ্ঠানৰ আয়োজন।

৪। ভোগালী বিহুলৈ মাজত মাথো ২টা দিন বাকী থকা অৱস্থাত ৰাজ্যজুৰি বিহুৰ ব্যাপক প্ৰস্তুতি। ***আৰু***

৫। মালয়েছিয়া অপেন বেডমিণ্টন প্ৰতিযোগিতাৰ পুৰুষৰ ডাবলছত ভাৰতৰ সাত্বিকছাইৰাজ ৰণকিৰেড্ডী আৰু চিৰাগ ছেট্টীৰ যুটী আজি ছেমি ফাইনেলত দক্ষিণ কোৰিয়াৰ বিৰুদ্ধে অৱতীৰ্ণ।

০০০০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত অনুষ্ঠিত মন্ত্ৰীসভাৰ বৈঠকত কালি ৰাজ্যবাসীৰ সৰ্বাংগীণ কল্যাণৰ হকে বহুকেইটা গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰা হয়। সেই অনুসৰি প্ৰাদেশীকিকৰণৰ আওটাৰ পৰা বাদ পৰি ৰোৱা ২০০৬ চনৰ পূৰ্বে স্থাপন হোৱা বিদ্যালয়সমূহৰ প্ৰাদেশীকিকৰণৰ বাবে ৰাজ্যিক মন্ত্ৰীসভাই সিদ্ধান্ত গ্ৰহণ কৰে। এই সন্দৰ্ভত শিক্ষা মন্ত্ৰী ডাঃ ৰণোজ পেগুৰ নেতৃত্বত মন্ত্ৰী কেশৱ মহন্ত আৰু জয়ন্ত মল্লবৰুৱাক লৈ এখন উপ-সমিতি গঠন কৰা হয়। এই উপ-সমিতিয়ে এমাহৰ ভিতৰত প্ৰাদেশীকিকৰণ সন্দৰ্ভত মন্ত্ৰীসভাত প্ৰতিবেদন দাখিল কৰিব। অংগনবাড়ী কৰ্মী, সহায়িকা, আশা কৰ্মী আৰু মধ্যাহ্ন ভোজনৰ কৰ্মীসকলৰ বেতন বৃদ্ধিৰ বিষয়টো পৰ্যালোচনা কৰাৰ বাবে বিত্ত মন্ত্ৰী অজন্তা নেওগৰ নেতৃত্বত আন এখন উপ-সমিতি গঠন কৰা হয়। ৰাজ্যিক মন্ত্ৰীসভাই ডিব্ৰুগড় জিলাৰ প্ৰস্তাৱিত দেওখালী বনভূমিক ৰাজহ গাঁৱলৈ পৰিণত কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰে। সেই অনুসৰি এই বনভূমিত দীৰ্ঘ সময় ধৰি বসবাস কৰি থকা লোকসকলক মাটিৰ পট্টা প্ৰদান কৰা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। যোৰহাট আৰু ডিব্ৰুগড় জিলাত দুগ্ধ সংশোধন আৰু সংশাধনৰ বাবে ১৫০ কোটি টকা ব্যয়ৰে দুটা কেন্দ্ৰ স্থাপনত মন্ত্ৰীসভাই অনুমোদন দিয়ে। মন্ত্ৰীসভাই লগতে ধেমাজি আৰু কাছাৰতো দুটা গাখীৰ সংশোধন কৰিব পৰা কেন্দ্ৰ স্থাপন কৰিবলৈ দুগ্ধ উন্নয়ন বিভাগক নিৰ্দেশ দিয়ে। তদুপৰি দুগ্ধ উৎপাদকসকলৰ আয় বৃদ্ধিত অৰিহণা যোগাবলৈ দুগ্ধ সমবায় সমিতিৰ জৰিয়তে উৎপাদিত সামগ্ৰী বিক্ৰী কৰা দুগ্ধ উৎপাদকসকলক প্ৰত্যক্ষ লাভালাভ হস্তান্তৰৰ জৰিয়তে প্ৰতি লিটাৰত ৫ টকাকৈ ৰাজ সাহায্য প্ৰদানৰ আঁচনিত অনুমোদন জনোৱা হয়। খিলঞ্জীয়া লোকৰ ভূমিৰ অধিকাৰ

সুনিশ্চিত কৰাৰ লক্ষ্যৰে আৰম্ভ কৰা মিছন বসুন্ধৰাৰ অধীনত ভূমি পট্টাৰ বাবে ধৰ্মীয় আৰু ৰাজহুৱা অনুষ্ঠানসমূহৰ আবেদনৰ সময়সীমা বৃদ্ধি কৰা হৈছে বুলিও মুখ্যমন্ত্ৰীয়ে উল্লেখ কৰে।

*(বাইট ঃ মুখ্যমন্ত্ৰী)*

চাহ পৰ্যটনৰ প্ৰসাৰৰ ক্ষেত্ৰতো মন্ত্ৰীসভাই সিদ্ধান্ত গ্ৰহণ কৰিছে। সেই অনুসৰি ডিব্ৰুগড়ৰ লেপেটকটা চাহ বাগিচা আৰু শোণিতপুৰৰ দুৰুং চাহ বাগিচা চাহ পৰ্যটন প্ৰকল্প গঢ়ি তোলাৰ বাবে মন্ত্ৰীসভাই অনুমোদন জনাইছে।

০০০০০০

অসম বিধানসভাৰ বাজেট অধিৱেশন অহা ১৭ ফেব্ৰুৱাৰীত আৰম্ভ হ'ব। অধিৱেশনৰ প্ৰথম দিনৰ কাৰ্যসূচী কোকৰাঝাৰৰ বি টি চি বিধায়িনী পৰিষদ ভৱনত অনুষ্ঠিত হ'ব। ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই কালি এই সন্দৰ্ভত আনুষ্ঠানিক অধিসূচনা জাৰি কৰে। বাজেট অধিৱেশনৰ প্ৰথম দিনাই ৰাজ্যপাল আচাৰ্যই সদনত ভাষণ দিব। বিত্ত মন্ত্ৰী অজন্তা নেওগৰ বাজেট উত্থাপন, বাজেট বিতৰ্ককে ধৰি অধিৱেশনৰ পৰৱৰ্তী দিনকেইটাৰ কাৰ্যসূচী দিছপুৰৰ অসম বিধানসভা ভৱনতে অনুষ্ঠিত হ'ব। নিখিল বড়ো ছাত্ৰ সন্থাৰ সভাপতি নিখিল বড়োৱে বি টি চিত হ'বলগীয়া বাজেট অধিৱেশনৰ প্ৰথম দিনৰ কাৰ্যসূচী অনুষ্ঠিত হোৱাৰ সন্দৰ্ভত কয়, যে এয়া হৈছে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ এটা আদৰণীয় পদক্ষেপ। এই বাজেট অধিৱেশনক লৈ বি টি চিৰ সকলো জনগোষ্ঠীৰ বহু আশা নিহিত হৈ আছে বুলিও সভাপতিগৰাকীয়ে উল্লেখ কৰে।

০০০০০০

ৰাজ্যৰ পঞ্চায়ত নিৰ্বাচনক কেন্দ্ৰ কৰি দেখা দিয়া অচলাৱস্থা বৰ্তমানও অব্যাহত আছে। এই সন্দৰ্ভত গুৱাহাটী উচ্চ ন্যায়ালয়ত ৰুজু হোৱা বিভিন্ন গোচৰক লৈ যোৱা কেইবাদিনো ধৰি শুনানি গ্ৰহণ কৰাৰ পাছত কালিৰ দিনটোত আদালতে এই বিষয়ে ৰায়দান কৰিব বুলি আশা কৰা হৈছিল। সেয়া হ'লেও আদালতে কালি ৰায়দানৰ পৰা বিৰত থকাত অচলাৱস্থাৰ অৱসান ঘটাটো সম্ভৱ নহ'ল।

উচ্চ ন্যায়ালয়ৰ পৰা নিৰ্দেশনা লাভ নকৰাৰ পৰিপ্ৰেক্ষিতত বহু চৰ্চিত এই পঞ্চায়ত নিৰ্বাচন ৰাজ্যত হ'বলগীয়া হাইস্কুল আৰু উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাৰ পৰৱৰ্তী পৰ্যায়তহে পাতিব পৰা হ'ব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ইংগিত দিছে। তেওঁ কয়, যে অধিসূচনা জাৰি কৰাৰ পৰা নিৰ্বাচন পাতিবলৈ এমাহ সময়ৰ প্ৰয়োজন হয়। আনহাতে অহা ১৪ ফেব্ৰুৱাৰীৰ পৰা পৰীক্ষাসমূহ পাতিবলৈ লোৱা হৈছে। এনে প্ৰেক্ষাপটত অধিসূচনা জাৰিৰ পৰা নিৰ্বাচন অনুষ্ঠিত হোৱালৈ প্ৰয়োজনীয় সময়ৰ অভাৱৰ ফলত কাৰিকৰী কাৰণত নিৰ্বাচন পিছুৱাই দিবলগীয়া হ'ব বুলি তেওঁ মত প্ৰকাশ কৰে। বিষয়টোক লৈ বিৰোধী কংগ্ৰেছ দলক সমালোচনা কৰাৰ লগতে উচ্চ ন্যায়ালয়ৰ ৰায়দান চৰকাৰী পক্ষৰ অনুকুলে নহ'লে ৰাজ্য চৰকাৰে এই সন্দৰ্ভত পুনৰ উচ্চতম ন্যায়ালয়ত আবেদন জনাব বুলিও তেওঁ লগতে প্ৰকাশ কৰে।

উল্লেখযোগ্য যে পঞ্চায়ত নিৰ্বাচনক কেন্দ্ৰ কৰি আদালতত ৰুজু হোৱা একাধিক গোচৰৰ ভিত্তিত এই নিৰ্বাচনৰ অধিসূচনা জাৰি কৰাৰ ক্ষেত্ৰত গুৱাহাটী উচ্চ ন্যায়ালয়ে যোৱা ১৭ ডিচেম্বৰতেই স্থগিতাদেশ জাৰি কৰিছিল। পৰৱৰ্তী সময়ত এই গোচৰসমূহক লৈ কেইবাটাও শুনানি গ্ৰহণ কৰা হয় যদিও গুচৰীয়া আৰু চৰকাৰী উভয় পক্ষৰ যুক্তি প্ৰদৰ্শনৰ পাছত বৰ্তমানলৈ বিষয়টোৰ কোনো সমাধান সম্ভৱপৰ হোৱা নাই।

০০০০০০

উমৰাংছ'ৰ তিন কিল' কয়লাখনিৰ পৰা আজি পুৰা আৰু এটা মৃতদেহ উদ্ধাৰ কৰা হৈছে। আমাৰ হাফলঙৰ সংবাদদাতা মনছুন সিঙে ক্ষন্তেক আগতে জনোৱা মতে এই মৃতদেহটো উমৰাংছ'ৰ সমীপৰ কালা মাটিৰ লাইজান মগৰ নামৰ ২৬ বছৰীয়া যুৱক এজনৰ বুলি চিনাক্ত কৰা হৈছে। এই খনি দুৰ্ঘটনাটোৰ ৬ দিন পাছত ইয়াকে ধৰি এতিয়ালৈকে ৩টা মৃতদেহ উদ্ধাৰ কৰা হৈছে। কয়লাখনিটোত উদ্ধাৰ অভিযান পুৰ্ণদমে চলি আছে।

০০০০০০

ওদালগুৰি জিলাৰ ডিমাকুছিৰ দৈমুনগৰ সমন্বয় ক্ষেত্ৰত বড়ো সাহিত্য সভাৰ ৬৪ সংখ্যক অধিৱেশনৰ আজি তৃতীয় দিনাৰ কাৰ্যসূচীত বড়ো সাহিত্য সভাৰ প্ৰয়াত কাণ্ডাৰীসকলক স্মৰণ কৰি শ্ৰদ্ধাঞ্জলি তৰ্পণৰ লগতে সম্বৰ্ধনা আৰু শিল্পী সাহিত্যিকক বঁটা প্ৰদান অনুষ্ঠানৰ আয়োজন কৰা হৈছে। এই অনুষ্ঠানত ১০খন ৰাষ্ট্ৰৰ ৰাষ্ট্ৰদূতৰ লগতে কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, ধৰ্মেন্দ্ৰ প্ৰধানৰ লগতে অসম সাহিত্য সভাৰ প্ৰধান সম্পাদক ড০ উপেন্দ্ৰজিৎ শৰ্মা, ডিমা সাহিত্য সভাৰ সভাপতি ৰমেশ থাউছেণ্ড, গাৰো সাহিত্য সভাৰ প্ৰধান সম্পাদক জনকেৰি ছাংমা আৰু মিছিং সাহিত্য সভাৰ প্ৰধান সম্পাদক সোমেশ্বৰ পকটাককে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰিব।

১২ জানুৱাৰীৰ অন্তিম দিনাৰ কাৰ্যসূচীত বাৰেৰহনীয়া সাংস্কৃতিক শোভাযাত্ৰাৰ পাছত বড়ো সাহিত্য সভাৰ সভাপতি ড০ সূৰথ নাৰ্জাৰীৰ সঞ্চালনাত হ'বলগীয়া মুকলি অধিৱেশনত অসম বিধানসভা অধ্যক্ষ বিশ্বজিৎ দৈমাৰী, ৰাজ্যৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ লগতে মেঘালয় আৰু ছিকিমৰ মুখ্যমন্ত্ৰীকে ধৰি বহুকেইগৰাকী বিশিষ্ট ব্যক্তিয়ে ভাগ ল'ব। সামৰণিৰ দিনটোৰ মুকলি অধিৱেশনৰ কাৰ্যসূচীত আকাশবাণীৰ কোকৰাঝাৰ কেন্দ্ৰই পোনপটীয়াকৈ প্ৰচাৰ কৰিব। নামনি অসমৰ শ্ৰোতাসকলে এফ এম বেণ্ডৰ ১০২ মেগাহাৰ্টজত এই অনুষ্ঠান শুনিব পাৰিব।

আমাৰ আগৰ বাতৰিতে কোৱা হৈছে যে অধিৱেশনৰ কালিৰ দিনটোত অ-বড়ো লোকসকলৰ সৈতে বাৰ্তালাপ, বড়ো ভাষাৰ অনুভৱ, অভিজ্ঞতা, বড়ো ভাষাৰ মৰ্যাদা সন্দৰ্ভত এখন আলোচনা চক্ৰ অনুষ্ঠিত হয়। ৰাজ্য চৰকাৰৰ মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মই কালি **দৈমাখুছি** শীৰ্ষক এখন স্মৃতি গ্ৰন্থ উন্মোচন কৰাৰ লগতে কালিৰ অনুষ্ঠানতেই ভিন বিন লেখকৰ আন ৬৩ খন গ্ৰন্থও উন্মোচন কৰা হয়।

০০০০০০

ভোগালী বিহুলৈ মাজত মাথো ২টা দিন বাকী থকা অৱস্থাত ৰাজ্যজুৰি বিহুৰ ব্যাপক প্ৰস্তুতি পৰিলক্ষিত হৈছে। জীয়ৰী-বোৱাৰীসকল পিঠা-পনা, সুস্বাদু বিহুৰ জলপানকে ধৰি উপাদেয় সামগ্ৰী প্ৰস্তুত কৰাত ব্যস্ত হৈ পৰাৰ বিপৰীতে ডেকাসকলে মেজি, ভেলাঘৰ সাজি উলিয়াইছে। ভোগালী বিহুৰ উৰুকাৰ বতৰত ৰাজ্যৰ অন্যান্য বজাৰৰ লগতে দৰং জিলাৰ বজাৰসমূহতো চাহিদা অনুসৰি থলুৱা মাছৰ যোগান ধৰাৰ বাবে লখিমপুৰ, বৰুৱাবিল আদি স্থানীয় মীন মহল আৰু মীন উৎপাদকসকল সাজু হৈছে। বিহুৰ বতৰত মাংস আৰু দুগ্ধজাত সামগ্ৰীৰ মূল্যবৃদ্ধি নিয়ন্ত্ৰণ কৰিবলৈ পশুপালন আৰু পশু চিকিৎসা বিভাগে নিৰ্দেশনা জাৰি কৰিছে। ইপিনে, চৰকাৰী বন্ধৰ তালিকাত উৰুকাৰ দিনটো সীমিত বন্ধৰ দিন হিচাপে আছে যদিও কাৰ্যালয় বা বিদ্যালয় খোলা থকাৰ পৰিপ্ৰেক্ষিতত সদৌ অসম কৰ্মচাৰী পৰিষদ আৰু অসম কলেজ শিক্ষক সংস্থাই সকলোৰে সুবিধা হোৱাকৈ উৰুকাৰ দিনটো চৰকাৰী বন্ধৰ দিন হিচাপে ঘোষণা কৰাৰ বাবে আহ্বান জনাইছে।

ভোগালী বিহুৰ প্ৰাকক্ষণত ৰাজ্যৰ প্ৰান্তে প্ৰান্তে ভোগালী মেলাৰ আয়োজন কৰা হৈছে। অসম ৰাজ্যিক গ্ৰামীন জীৱিকা অভিযানৰ অধীনত ধুবুৰী জিলা গোটৰ সহযোগত কালিৰে পৰা তিনি দিনীয়াকৈ ভোগালী মেলাৰ আয়োজন

কৰা হৈছে। ধুবুৰী জিলা আয়ুক্ত দিবাকৰ নাথে উদ্বোধন কৰা এই মেলাত আত্মসহায়ক গোটৰ সদস্যাসকলে বিভিন্ন পৰম্পৰাগত বস্ত্ৰ, জলপান, পিঠাপনাকে ধৰি খাদ্য সামগ্ৰীৰ প্ৰদৰ্শনী আৰু বিক্ৰীৰ ব্যৱস্থা কৰিছে।

মৰিগাওঁ জিলাৰ বিহুতলীত ৩ দিনীয়া কাৰ্যসূচীৰে আয়োজন কৰা ভোগালী মেলাত জিলাখনৰ ৫ টা উন্নয়ন খণ্ডৰ ৩২ টা আত্মসহায়ক গোটে অংশগ্ৰহণ কৰিছে। তিৰা জনগোষ্ঠীৰ  জনপ্ৰিয় শিল্পী ভগৱান সেনাপতিয়ে প্ৰতিবছৰৰ দৰে এইবাৰো ৰাষ্ট্ৰীয় ঘাইপথৰ কাষতে সাম্প্ৰতিক পৰিস্থিতিৰ সৈতে খাপ খোৱাকৈ সাজি উলিওৱা ভেলাঘৰ কালি মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই পৰিদৰ্শন কৰি আনন্দ প্ৰকাশ কৰে।

০০০০০০

আজি গুৱাহাটীৰ পৰা প্ৰকাশিত দৈনিক বাতৰি কাকতসমূহে ৰাজ্যত ভোগালী বিহুৰ প্ৰস্তুতিৰ বাতৰি প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। অসমীয়া প্ৰতিদিন কাকতে মাঘবিহুলৈ মাজত মাথো দুদিন বাকী থকা অৱস্থাত চাউলৰ মূল্য বৃদ্ধিয়ে ভোগালীৰ বজাৰ জোকাৰিছে শিৰোনামেৰে মুখ্য বাতৰি প্ৰকাশ কৰিছে।

পঞ্চায়ত ভোটক লৈ অনিশ্চয়তা সন্দৰ্ভত বাতৰি আমাৰ অসম কাকতে মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

ব্ৰহ্মপুত্ৰ-বৰাক-ভাৰত-বাংলা জলপথত তিনি হাজাৰ কোটিৰ বিনিয়োগ শিৰোনামেৰে কাজিৰঙাত আভ্যন্তৰীণ জলপথ উন্নয়ন পৰিষদৰ দ্বিতীয় বৈঠকত হোৱা আলোচনাক নিয়মীয়া বাৰ্তা কাকতে মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে। এই বাতৰিটোকে অসমীয়া খবৰ কাকতে ৰাষ্ট্ৰীয় জলপথৰ বিকাশৰ বাবে ৫ বছৰত ৫০ হেজাৰ কোটি বিনিয়োগ বুলি কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কৰা মন্তব্যক গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে।

১০ শতাংশ হ্ৰাস পাব ধান-ঘেঁহুৰ উৎপাদন এই শিৰোনামেৰে দৈনিক অগ্ৰদূত কাকতে মুখ্য বাতৰি প্ৰকাশ কৰিছে।

ৰাজ্যিক কেবিনেটৰ বৈঠকত প্ৰাদেশীকিকৰণ, আশা, অংগনবাড়ী, মধ্যাহ্ন ভোজ কৰ্মীৰ সমস্যা পৰ্যালোচনাৰ বাবে দুটা মন্ত্ৰীগোট গঠন সন্দৰ্ভত সিদ্ধান্ত গ্ৰহণৰ বাতৰি দৈনিক জনমভূমি কাকতে গুৰুত্ব সহকাৰে প্ৰকাশ কৰিছে।

দি ছেণ্টিনেল কাকতে STATE CABINET TAKES IMPORTANT DECISIONS শিৰোনামেৰে মুখ্য বাতৰি প্ৰকাশ কৰিছে।

উচ্চতম ন্যায়ালয়ে অসমৰ পৰা ২৫ হেজাৰ বাংলাদেশীৰ প্ৰত্যাৰ্পণৰ পথ প্ৰশস্ত কৰাৰ বাতৰি, বাংলাদেশলৈ অসমৰ কৃষকে উপাদন কৰা ৫ লাখ সুস্বাদু কমলা ৰপ্তানিৰ বাতৰি, ৰাজ্যৰ সৰ্বশ্ৰেষ্ঠ পশুপালকে এক লাখ টকাৰ পুৰস্কাৰ লাভ কৰিব বুলি পঞ্চম পশুধন হাঁহ-কুকুৰা মেলাত মন্ত্ৰী কৃষ্ণেন্দু পালৰ মন্তব্য, মুখ্যমন্ত্ৰী যোৱাৰ পূৰ্বে বিদেশলৈ বিনিয়োগ বিচাৰি মন্ত্ৰীবৃন্দৰ যাত্ৰা এই শিৰোনামেৰে  গুৰুত্বপূৰ্ণ বাতৰি প্ৰায়কেইখন কাকতে ভিন ভিন শিৰোনামেৰে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

এতিয়া আমি পুনৰ বাতৰিৰ মাজলৈ ঘূৰি যাও।

০০০০০০

আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগে আজি নিশা ৮ বাজি ২ মিনিটত এটা বিশেষ দৃষ্টিপাত অনুষ্ঠান প্ৰচাৰ কৰিব। এই অনুষ্ঠানত বাতৰি আৰু বাতৰি বিভাগৰ অনুষ্ঠান সম্পৰ্কত শ্ৰোতাসকলে WHATSAPP NO. ৯৮৬৪০-৫৫৫৬৬ যোগে দিয়া অভিযোগ আৰু পৰামৰ্শৰ উত্তৰ দিয়া হ'ব। অনুষ্ঠানটোত ভাগ ল'ব বাতৰি বিভাগৰ জ্যেষ্ঠ পৰিৱেশিকা অৰুণিমা গোস্বামী আৰু বাতৰি বিভাগৰ মুৰব্বী ৰাজীৱ লোচন বৰঠাকুৰে। ভাৰতীয় গণসংযোগ প্ৰতিষ্ঠান চমুকৈ আই আই এম চিৰ আইজল চৌহদৰ আঞ্চলিক সঞ্চালক ডং শাশ্বতী গোস্বামীও

সেইদিনা ষ্টুডিঅ'ত উপস্থিত থাকি বাতৰি সম্পৰ্কত তেওঁৰ মতামত আগবঢ়াব। অনুষ্ঠান চলি থকাৰ সময়ত আগ্ৰহী শ্ৰোতাই ০৩৬১-২৬৬১৮৭৬ আৰু ২৬৬২৩২৫ নম্বৰত ফোন কৰিব পাৰিব।

০০০০০০

বতৰৰ বতৰা- ভাৰতীয় বতৰ বিজ্ঞান বিভাগে অহা ২৪ ঘণ্টাত অসম, অৰুণাচল প্ৰদেশ, মেঘালয়, নাগালেণ্ড, মিজোৰাম আৰু ত্ৰিপুৰাৰ ঠায়ে ঠায়ে ঘন কুঁৱলী পৰাৰ লগতে বতৰ ঘাইকৈ ফৰকাল হৈ থাকিব বুলি আগলি বতৰা জাৰি কৰিছে। বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই দিয়া আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু দাঁতিকাষৰীয়া অঞ্চলসমূহত পুৱাৰ ভাগত ঘন কুঁৱলী পৰাৰ লগতে বতৰ আংশকিভাৱে ডাৱৰীয়া হৈ থাকিব। অহা ২৪ ঘণ্টাত গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ২৭ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ১৩ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই জানিবলৈ দিছে। কালি গুৱাহাটীৰ সৰ্বোচ্চ তাপমাত্ৰা আছিল ২৪ দশমিক ৫ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা আছিল ১২ দশমিক ৯ ডিগ্ৰী ছেলছিয়াছ।

০০০০০০

স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী অশোক সিংহলে কালি ডিব্ৰুগড়ত জিলা আয়ুক্তৰ কাৰ্যালয়ত এখন পৰ্যালোচনা বৈঠকত অংশগ্ৰহণ কৰে। মন্ত্ৰীগৰাকীয়ে ডিব্ৰুগড়, তিনিচুকীয়া, চৰাইদেউ আৰু শিৱসাগৰ জিলাৰ স্বাস্থ্য বিভাগৰ কাম-কাজ সবিস্তাৰে পৰ্যালোচনা কৰে। এই পৰ্যালোচনা বৈঠকত জিলাকেইখনৰ আয়ুক্তসকলৰ উপৰি স্বাস্থ্য বিভাগৰ শীৰ্ষ বিষয়াসকল উপস্থিত থাকে। মন্ত্ৰী শ্ৰীসিংহলে জিলাকেইখনৰ সকলো স্বাস্থ্যসূচক আঁচনিসমূহৰ ৰূপায়ণ আৰু অগ্ৰগতিৰ বুজ লোৱাৰ লগতে স্বাস্থ্য সেৱাৰ আন্তঃগাঁথনিৰ বুজ লয়। বৈঠকত মূলতঃ প্ৰসূতিৰ মৃত্যুৰ অনুপাত, নৱজাতকৰ মৃত্যুৰ হাৰ, ৰাষ্ট্ৰীয় শিশু স্বাস্থ্য কাৰ্যক্ৰম আৰু ৩০ বছৰ উৰ্ধৰ লোকৰ অসংক্ৰামক ৰোগৰ পৰীক্ষণৰ বিষয়ত গুৰুত্ব আৰোপ কৰা হয়। মন্ত্ৰীগৰাকীয়ে সকলো নাগৰিকৰ বাবে গুণগত, সুলভ আৰু সময় উপযোগী চিকিৎসা তথা সামগ্ৰিক সুস্থতা সুনিশ্চিত কৰাৰ বাবে বিষয়াসকলক নিষ্ঠাৰে কাম কৰি যাবলৈ আহ্বান জনায়। চাহ বাগিচাৰ গৰ্ভৱতী মহিলাসকলৰ মজুৰীৰ ক্ষতিপূৰণ আঁচনিৰ নিখুঁত ৰূপায়ণত বিশেষ গুৰুত্ব আৰোপ কৰি এইক্ষেত্ৰত জিলা আয়ুক্তসকলক প্ৰত্যক্ষভাৱে বিষয়টো নিৰীক্ষণ কৰিবলৈও তেওঁ নিৰ্দেশ দিয়ে।

০০০০০০

কোৱালালামপুৰত অনুষ্ঠিত মালয়েছিয়া ছুপাৰ ৱান থাউজেণ্ড বেডমিণ্টন প্ৰতিযোগিতাৰ পুৰুষৰ ডাবলছত ভাৰতৰ সাত্বিকছাইৰাজ ৰণকিৰেড্ডী আৰু ছিৰাগ চেট্টীৰ যুটীয়ে আজি ছেমি ফাইনেলত দক্ষিণ কোৰিয়াৰ চিউ চিউং-জে আৰু কিম ৱন-হোৰ যুটীৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি দিনৰ ১ বাজি ৪০ মিনিটত আৰম্ভ হ'ব। ইয়াৰ পূৰ্বে কালি কোৱাৰ্টাৰ ফাইনেলত ভাৰতীয় যুটীটোৱে মালয়েছিয়াৰ ইউ ছিন ৰং আৰু এ ই টিঅ'ৰ যুটীক ২৬-২৪ আৰু ২১-১৫ পোনপটীয়া গেমত পৰাস্ত কৰে।

০০০০০০

ইণ্ডিয়ান চুপাৰ লীগৰ গুৱাহাটীৰ ইন্দিৰা গান্ধী এথলেটিক ষ্টেডিয়ামত যোৱা নিশা অনুষ্ঠিত পঞ্জাৱ এফ চি আৰু নৰ্থ ইষ্ট ইউনাইটেড এফ চিৰ মাজৰ খেলখন ১-১ গ'লত অমিমাংসিত হৈ ৰয়। নৰ্থ ইষ্টে খেলখনৰ ২৪ মিনিটত আলাএদ্দিন আজাৰাইৰ জৰিয়তে দিয়া

গলটোৰে  অগ্ৰগতি লাভ কৰিছিল যদিও  যদিও পঞ্জাবৰ খাইমিন্থাং লুংডিমে ৮২ মিনিটত দিয়া গলটোৰে সমতা স্থাপন কৰিবলৈ সক্ষম হয়।

আনহাতে আজি সন্ধিয়া চাৰে সাত বজাত  গুৱাহাটীত অনুষ্ঠিত হ'বলগীয়া এখন খেলত ৰেষ্ট বেংগলৰ বিৰুদ্ধে মোহন বাগান আৰু সন্ধিয়া ৫ বজাত বেংগালুৰুত মহম্মদন এছ চিৰ বিৰুদ্ধে বেংগালুৰু এফ চি অৱতীৰ্ণ হ'ব।

০০০০০০

সমাপ্ত